بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## খন্দকৰ যুদ্ধৰ প্ৰেক্ষাপটত নবী কৰিম (ছাঃ)ৰ জীৱনী সম্পৰ্কে বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২৭ চেপ্তেম্বৰ ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيمِ۔ بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ۔ اَلۡحَمۡدُ لِلّٰہِ رَبِّ الۡعٰلَمِیۡنَ۔ الرَّحۡمٰنِ الرَّحِیۡمِ۔ مٰلِکِ یَوۡمِ الدِّیۡنِ۔ اِیَّاکَ نَعۡبُدُ وَ اِیَّاکَ نَسۡتَعِیۡنُ۔ اِہۡدِنَا الصِّرَاطَ الۡمُسۡتَقِیۡمَ۔ صِرَاطَ الَّذِیۡنَ اَنۡعَمۡتَ عَلَیۡہِمۡ ۬ۙ غَیۡرِ الۡمَغۡضُوۡبِ عَلَیۡہِمۡ وَ لَا الضَّآلِّیۡنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে যেনেকৈ মই যোৱা খোতবাত উল্লেখ কৰিছিলোঁ যে হজৰত মুচলেহ মাওউদ (ৰাঃ)য়েও সেই পৰিস্থিতি সম্পৰ্কে বৰ্ণনা কৰিছে যি আহযাবৰ যুদ্ধৰ সময়ত উদ্ভৱ হৈছিল।

তেখেত (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে যিহেতু মদিনাৰ চাৰিওফালে থকা বেছি অংশ খাল খন্দাত নিৰাপদ হৈছিল আৰু আনফালে আছিল পাহাৰ আৰু কিছুমান মজবুত ঘৰ আৰু বাগিছা সেয়ে শত্ৰু সৈন্যই আহি পোনে পোনে আক্ৰমণ কৰিব পৰা নাছিল। গতিকে কাফিৰ সকলে চতুৰালি কৰি মদিনাত বসবাস কৰা ইহুদী কবিলা বনু কুৰাইজাক তেওঁলোকৰ লগত মিলাই ল'বলৈ চেষ্টা কৰে যাতে এওঁলোকৰ জৰিয়তে মদিনাত প্ৰৱেশ কৰাৰ বাট মুকলি হয়। এই পৰিকল্পনা অনুযায়ী বনু নজিৰৰ চৰদাৰ হাই বিন আখতাবক বনু কুৰাইজাৰ ওচৰলৈ পঠিয়াই দিয়ে। প্ৰথম অৱস্থাত হাই বিন আখতাবৰ কথাত কুৰাইজাৰ চৰদাৰে সহাৰি দিয়া নাছিল যদিও হাই বিন আখতাবে সবুজ বাগিছাৰ লোভ দেখুৱাত কুৰাইজাৰ লোক সকলে আঁহজৰত (ছাঃ)ৰ লগত কৰা চুক্তি উলঙ্ঘন কৰিবলৈ অগ্ৰসৰ হয়। বনু কুৰাইজা আচলতে মুছলমান সকলৰ বন্ধু আছিল। সেয়ে যদি তেওঁলোকে মুকলি ভাৱে যুদ্ধত অংশ গ্ৰহণ নকৰিলেহেঁতেন তেন্তে মুছলমান সকলে নিশ্চিত থাকিলেহেঁতেন যে সেই ফালেদি কোনেও মদিনাৰ ওপৰত আক্ৰমণ কৰিব নোৱাৰে। সেয়ে বনু কুৰাইজাৰ ফালে কোনো নিৰাপত্তাৰ ব্যৱস্থাও কৰা নাছিল। এনেকুৱা পৰিস্থিতিত বনু কুৰাইজা শত্ৰু পক্ষৰ লগত যোগ দিয়া কাৰণে মদিনাৰ ওপৰত আক্ৰমণৰ ভয় গুৰুতৰ হৈ পৰে। যিয়েই নহওঁক এনে পৰিস্থিতিত মুছলমান সকলৰ চিন্তাধাৰা কুদৰতি আছিল আৰু এই সমস্যা ৰোধ কৰিবলৈ চেষ্টা কৰে। যাৰ কাৰণে আঁহজৰত (ছাঃ)য়ে মদিনা সুৰক্ষিত ৰখাৰ বাবে পাঁচ শ জন লোক পহৰাৰত কৰাৰ সিদ্ধান্ত

লৈছিল। বনু কুৰাইজাৰ চুক্তি উলঙ্ঘনৰ খবৰ মুছলমান সকলে শুনিবলৈ পাই এওঁলোকৰ ভয়ৰ মাত্ৰা বাঢ়ি গৈছিল আৰু এওঁলোকে মহিলা আৰু বালক বালিকা সকলৰ ৰক্ষণা-বেক্ষণৰ চিন্তা কৰিবলৈ লয়। এই খবৰ আঁহজৰত (ছাঃ)ৰ কান পোৱাৰ লগে লগে তেখেত (ছাঃ)য়ে হজৰত ছলমা বিন আছলম (ৰাঃ)ক দুশ জন লোক আৰু হজৰত জায়েদ বিন হাৰছা (ৰাঃ)ক তিনি শ জন লোকৰ সৈতে মদিনাৰ নিৰাপত্তাৰ বাবে পঠিয়াই দিয়ে আৰু কয় যে ৰাতিৰ বেলিকা তেওঁলোকে বিভিন্ন ঠাইত পহৰা দি থাকিব আৰু মাজে মাজে আল্লাহ আকবৰ ধ্বনি দি থাকিব।

হজৰত চাহাবজাদা মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে এই ঘটনাখিনি এনেদৰে বৰ্ণনা কৰিছে যে এনে পৰিস্থিতিত কোনো বুদ্ধিমান ব্যক্তিয়ে বুজি পোৱাৰ উৰ্ধত নাছিল আৰু এই পৰিস্থিতিয়ে সহজ-সৰল মুছলমান সকলক বৰকৈ চিন্তিত কৰি পেলাইছিল। কিছুমান মুনাফিক লোকে আঁহজৰত (ছাঃ)ৰ ওচৰত আহি এয়া ক'বলৈ লৈছিল যে ইয়া ৰছুলুল্লাহ ! চহৰত থকা আমাৰ ঘৰ নিৰাপদ নহয়, আপুনি অনুমতি দিলে নিজৰ নিজৰ ঘৰত থাকি ইয়াৰ ৰক্ষণা-বেক্ষণ কৰিব পাৰিম। এই কথাৰ উত্তৰ হিচাপে খোদা তা'লাৰ ফালৰ পৰা ওহী নাযিল হয় যে ওয়া মা হিয়া বিআউৰাতিন ইউৰিদুনা ইল্লা ফিৰাৰা অৰ্থাৎ এয়া মিছা যে তেওঁলোকে নিজৰ ঘৰখন অনিৰাপদ বুলি ভাৱিছে বৰং সঁচা হ'ল এয়া যে তেওঁলোকে যুদ্ধৰ ময়দানৰ পৰা আঁতৰত থকাৰ বাট বিচাৰি আছে। গতিকে এনেকুৱা ভয়ানক পৰিস্থিতিৰ সময়ত মুছলমান সকলৰ এটা সৰু জামাত য'ত কিছুমান সহজ-সৰল দুৰ্বল লোক আৰু মুনাফিক সকলেও চামিল আছিল তেওঁলোকে কেনেকৈ ইমান ডাঙৰ বাহিনীৰ সৈতে মোকাবিলা কৰিব পাৰে ? মাজে সময়ে পৰিস্থিতি পৰিৱেশ বৰ স্পৰ্শ কাতৰ হৈ পৰিছিল আৰু অনুমান হৈছিল যে কিবা দুৰ্বলতাৰ সুযোগত কাফিৰ সৈন্যই চহৰৰ ভিতৰত প্ৰৱেশ কৰি পেলাব। এনে আক্ৰমণৰ প্ৰতিৰোধ কৰা মুছলমান সকলৰ পক্ষে একমাত্ৰ তীৰৰ দ্বাৰাই কৰা সম্ভৱ আছিল বাকী কোনো উপায় হাতত নাছিল।

উক্ত দিনবোৰ মুছলমান সকলৰ বাবে বৰ কষ্টকৰ আৰু বিপদজ্জনক দিন আছিল। এনে পৰিস্থিতি চলাকালীন আঁহজৰত (ছাঃ)য়ে ছাআদ বিন মুৱাজ (ৰাঃ) আৰু ছাআদ বিন উবেয়দা (ৰাঃ)ক কৈছিল যে যদি তোমালোকে বিচৰা তেন্তে কবিলা গোথফানক ক'ৰ দি অৰ্থাৎ গোথফান কবিলাৰ কৰতলীয়া হৈ যুদ্ধ পৰিহাৰ কৰিব পাৰা। এই কথা শুনি দুয়োজনে একমত হৈ কৈছিল যে ইয়া ৰছুলুল্লাহ ! আমি যিহেতু মুশৰিক থকা অৱস্থাত কেতিয়াও কোনো শত্ৰুক ক'ৰ আদি দিয়া নাই এতিয়া মুছলমান হৈ কিয় দিম ? আল্লাহৰ কছম! আমি তেওঁলোকক তৰোৱালৰ প্ৰহাৰৰ বাহিৰে একো নিদিওঁ। আঁহজৰত (ছাঃ)য়ে যিহেতু আনছাৰ সকলৰ কথাই চিন্তা কৰিছিল, যিসকলে মদিনাৰ বাসিন্দা আছিল আৰু সেয়ে সম্ভৱত এই পৰামৰ্শৰ জৰিয়তে সিহঁতৰ মনৰ ভাৱৰ বুজ লৈছিল যে তেওঁলোকে এই সমস্যাৰ বাবে কিবা অথন্তৰত পৰিছে নেকি ? যদি কিবা অথন্তৰত ভুগিছে তেন্তে সিহঁতক উৎসাহিত কৰিব লাগিব বুলি এই প্ৰশ্ন কৰিছিল। এওঁলোক দুজনৰ উত্তৰ শুনি আঁহজৰত (ছাঃ)য়ে আনন্দৰে সিহঁতৰ পৰামৰ্শ গ্ৰহণ কৰে আৰু যুদ্ধ জাৰি ৰাখে।

সেই সময়ৰ বিপদজ্জনক আৰু আতংকময় পৰিৱেশত বিভিন্ন ঠাইত পহৰা দিয়াৰ ব্যৱস্থা কৰা হৈছিল আৰু আঁহজৰত (ছাঃ) নিজেও পহৰা দিয়াত অংশ গ্ৰহণ কৰে। তেতিয়া ৰাতিৰ বেলিকা মদিনাত বৰ শীতৰ প্ৰকোপ আছিল ইয়াৰ ওপৰি চাহাবা সকলে ভোক পিয়াহত কষ্ট কৰিছিল। হজৰত আয়শা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে এদিন আঁহজৰত (ছাঃ)য়ে পহৰাৰত অৱস্থাত ইমানেই ক্লান্ত হৈ পৰে যে তেখেত (ছাঃ)য়ে কৈছিল। হায় ! কোনো সজ মানুহ থাকিলেহেঁতেন তেন্তে তেওঁ পহৰা দিলে হয়। তেতিয়া ছাআদ বিন আবি ওকাচ (ৰাঃ)য়ে কৈছিল, ইয়া ৰছুলুল্লাহ ! মই আপোনাৰ ঠাইত পহৰা দিম। তেতিয়া আঁহজৰত (ছাঃ)য়ে তাক কৈছিল তেন্তে অমুক ঠাইত যোৱা, তাতে খন্দকৰ এটা অংশ দুৰ্বল আছে, তাতে পহৰা দি থাকা, নবী কৰিম (ছাঃ)ৰ কাৰণে প্ৰাণ পণকাৰী চাহাবা সকলৰ আনুগত্যৰ এক বিস্ময়কৰ ৰং আছিল। তেওঁলোকে এনেদৰে নিজকে নিজে

আগবঢ়াইছিল আৰু আনফালে নবী কৰিম (ছাঃ)য়েও নিজৰ ব্যক্তিত্বৰ ওপৰত তেওঁলোকক অগ্ৰাধিকাৰ দিছিল। আঁহজৰত (ছাঃ)য়ে নিজৰ জীৱনৰ বাবে একো চিন্তা কৰা নাছিল সদায় মদিনাবাসীৰ চিন্তাত নিমগ্ন আছিল আৰু ইয়াৰ বাবে নিজে গৈ উপস্থিত হৈছিল আৰু পহৰা দিছিল আকৌ কেতিয়াবা বিশ্ৰাম ল'বলৈ তম্বুৰ ভিতৰত গৈছিল যদিও তাৰ বেছি ভাগ সময় খোদা তা'লাৰ দৰবাৰত ছিজদাৰত হৈ দোৱা কৰি থাকোতে দেখা গৈছিল।

আহযাবৰ যুদ্ধত হজৰত চুফিয়া (ৰাঃ)ৰ সাহসৰ এটা ঘটনা উল্লেখ পোৱা যায়। হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে লিখিছে যে মহিলা আৰু ল'ৰা-ছোৱালী বিলাকক চহৰৰ এটা বিশেষ অংশত যিঠাইখন দুৰ্গৰ দৰে আছিল তাতে নি ৰখা হৈছিল আৰু তেওঁলোকৰ হিফাজতৰ বাবে কেৱল এনেকুৱা পুৰুষ সকলক ৰখা হৈছিল যে যিসকলে যুদ্ধৰ ময়দানলৈ যাবলৈ সক্ষম নাছিল। ইহুদী সকলে এবাৰ গোপন সুত্ৰে অনুসন্ধান কৰিবলৈ এজন লোকক সেই মহল্লালৈ পঠিয়াই দিয়ে। সেই সময়ত মহিলা সকলৰ ওচৰত কেৱল মাত্ৰ এজন চাহাবী হজৰত হাচান বিন ছাবিত (ৰাঃ) উপস্থিত আছিল। মহিলা সকলে যেতিয়া সেই ইহুদীজনক সন্দেহযুক্ত ভাৱে মহিলা সকলে অৱস্থান কৰা ঠাইত ঘূৰা-ফুৰা কৰোঁতে দেখা পায় তেতিয়া আঁহজৰত (ছাঃ)ৰ পেহী চুফিয়া বিনতে আব্দুল মুত্তালিব (ৰাঃ)য়ে হাচান বিন ছাবিত (ৰাঃ)ক কৈছিল যে সেই লোকজনক হত্যা কৰি পেলোৱা, কিন্তু হাচান (ৰাঃ)য়ে সাহস পোৱা নাছিল। গতিকে হজৰত চুফিয়া (ৰাঃ)য়ে নিজে আগবাঢ়ি গৈ সেই ইহুদীজনৰ মোকাবিলা কৰে আৰু হত্যা কৰি পেলায় আৰু মূৰটো কাটি ইহুদী সকলৰ ফালে কাটি দিয়ে যাতে ইহুদী সকলে মুছলমান মহিলা সকলৰ ওপৰত আক্ৰমণ কৰিবলৈ সাহস নাপায়। আনকি ইহুদী সকলে যেন ধাৰণা কৰে যে মুছলমান মহিলা সকলৰ হিফাজতৰ বাবে যথেষ্ট পুৰুষ মানুহ তাত উপস্থিত আছে। অৱশেষত এই প্ৰচেষ্টা কামত লাগিছিল আৰু ইহুদী সকলে ভয় পাই ওভতি গৈছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এই ঘটনাখিনি বৰ্ণনা কৰোঁতে কৈছে যে অনুসন্ধান কৰি জানিব পৰা যায় যে লোকজন ইহুদী আছিল আৰু বনু কুৰাইজাৰ গুপ্তচৰ আছিল। ফলত মুছলমান সকলে আৰু বেছি ভয়াতুৰ হৈ পৰে আৰু ধাৰণা কৰে যে এতিয়া মদিনাৰ এই ফালও নিৰাপদত নহয়। ৰছুলুল্লাহ (ছাঃ)য়ে মহিলা সকলৰ নিৰাপত্তাৰ বিষয়টো লৈ বেছি চিন্তিত আছিল আৰু বাৰশ চিপাহীৰ পৰা পাঁচ শ মহিলা সকলৰ নিৰাপত্তাৰ বাবে চহৰত নিযুক্ত কৰে। আনফালে খন্দক হিফাজত কৰিবলৈ ওঠৰ, বিছ হাজাৰ শত্ৰু বাহিনীৰ মোকাবিলা কৰিবলৈ কেৱল মাত্ৰ সাত শ চিপাহী থাকি যায়।

হজৰত আলি (ৰাঃ)য়ে উমৰু বিন আবদোধক হত্যা কৰা ঘটনাৰ উল্লেখ পোৱা যায়। উমৰু বিন আবদোধ এনেকুৱা বীৰ আছিল যে আৰবত এহেজাৰ পুৰুষৰ সমান বুলি তুলনা কৰা হৈছিল। এওঁ নিজৰ দুজন লগৰীয়াৰ সৈতে খন্দক পাৰ হৈ আহিছিল আৰু বৰ গৰ্বৰে মাত লগাইছিল যে হে জান্নাতৰ আশাবাদী সকল ! অহা তোমালোকক মই জান্নাতত পৌচাই দিওঁ নাইবা তোমালোকে মোক জাহান্নামত পঠাই দিয়া। যেতিয়া তেওঁ দুই তিনিবাৰ এনেদৰে মাত লগাইছিল তেতিয়া নবী কৰিম (ছাঃ)য়ে নিজে নিজৰ পাগুৰী হজৰত আলি (ৰাঃ)ৰ মূৰত বান্ধি দিয়ে আৰু নিজৰ তৰোৱাল খন তেখেতৰ হাতত অৰ্পন কৰে আৰু দোৱা কৰি উমৰু বিন আবদোধৰ মোকাবিলা কৰিবলৈ পঠাই দিয়ে। তাৰ পিছত দুয়োজনৰ মাজত তুমুল যুদ্ধ হয় আৰু হজৰত আলি (ৰাঃ)য়ে উমৰু বিন আবদোধক হত্যা কৰে। তাক হত্যা কৰাৰ লগে লগে লগৰীয়া দুজন পলাই যায়। আন এটা ৰিৱায়ত অনুযায়ী জাৰাৰ বিন খাত্তাব হজৰত উমৰ (ৰাঃ)ৰ ভাই আছিল এওঁ যেতিয়া পলাই যাবলৈ লৈছিল তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে তাৰ পিছানুসৰণ কৰে। জাৰাৰে হঠাৎ থিয় হৈ হজৰত উমৰ (ৰাঃ)ৰ ওপৰত বল্লমেৰে আক্ৰমণ কৰিবলৈ লওঁতেই আকৌ থমকি ৰৈছিল, আক্ৰমণ কৰা নাছিল। ইয়াৰ পিছত হজৰত উমৰ (ৰাঃ)ক কয় যে হে উমৰ ! তুমি মোৰ এই দয়াৰ কথা মনত ৰাখিবা যে মই তোমাৰ ওপৰত আক্ৰমণ নকৰিলো। আচলতে জৰাৰৰ কি দয়া আছিল, আল্লাহ তা'লা তাৰ ওপৰত দয়া কৰিছিল, মক্কা বিজয়ৰ সময়ত জৰাৰ মুছলমান হ'ব

পাৰিছিল। পিছত তেওঁ ইছলামী যুদ্ধ বিলাকত অংশ গ্ৰহণ কৰিছিল আৰু বীৰত্ব প্ৰদৰ্শন কৰিছিল। অৱশেষত ইয়ামামাৰ যুদ্ধত শ্বাহাদত বৰণ কৰে। কিছুমানৰ মতে এওঁ শ্বহীদ হোৱা নাছিল বৰং পিছলৈ বহুদিন জীৱিত আছিল আৰু মুছলমান অৱস্থাতেই মৃত্যু বৰণ কৰে। কিছুমান ৰিৱায়ত অনুযায়ী উমৰু বিন আবদোধৰ সলনি নওফিল বিন আব্দুল্লাহ এঠাইত মৃত্যু মুখত পৰে আৰু তাৰ লাচৰ বাবে কাফিৰ সকলে আঁহজৰত (ছাঃ)ৰ ওচৰত খবৰ পঠাইছিল যে যদি আঁহজৰত (ছাঃ)য়ে তাৰ লাচ কাফিৰ সকলক ওভতাই দিয়ে তেন্তে তেওঁলোকে দহ হেজাৰ দেৰহাম আঁহজৰত (ছাঃ)ক দিবলৈ সাজু আছে। কাফিৰ সকলে ধাৰণা কৰিছিল যে আমি যেনেকৈ উহুদৰ যুদ্ধত আঁহজৰ (ছাঃ)ৰ খুৰাদেউ হজৰত হামজা (ৰাঃ)ৰ লাচৰ নাক কান কাটি অপমানিত কৰিছিলো, ঠিক তেনেদৰে মুছলমান সকলেও আমাৰ এই চৰদাৰৰ নাক কান কাটি আমাৰ সম্প্ৰদায়ক অপমান কৰিব। কিন্তু ইছলামৰ শিক্ষা আছিল ভিন্ন, ইছলামে লাচৰ অপমান কৰাৰ অনুমতি নিদিয়ে। গতিকে কাফিৰ সকলৰ আবেদন ৰছুলে কৰিম (ছাঃ)ৰ ওচৰত অহাৰ লগে লগে তেখেত (ছাঃ)য়ে কৈছিল এই লাচটো দি আমি কি কৰিম, এই লাচ আমাৰ কিনো কামত আহিব যে তাৰ সলনি আমি তোমালোকৰ পৰা কোনো দাম লৈ ল'ম। তোমালোকৰ লাচ তোমালোকে উঠাই লৈ যোৱা। আমাৰ তাৰ লগত কোনো সম্পৰ্ক নাই।

হুজুৰ আনোৱাৰ (আইঃ)য়ে শেষত জেলি তনজিমৰ ইজতিমা সম্পৰ্কে কিছু নচিহত আগবঢ়ায় যে এই দিনকেইটাত দোৱাৰ প্ৰতি বেছি বেছি মনোযোগ দিব আৰু দৰূদ পাঠ কৰিব। আল্লাহ তা'লা ইয়াৰ বাবে সকলোকে তৌফিক দান কৰক। সকলোৱে ইজতিমাৰ উদ্দেশ্য সফল কৰিবলৈ চেষ্টা কৰিব। এয়া যেন নহয় যে কেৱল আনন্দ ফূৰ্তিৰ প্ৰোগ্ৰাম আৰু কথা বতৰা, গল্প গোজবত সময় পাৰ হৈ যায়। আল্লাহ তা'লা সকলো ফালেৰে এই ইজতিমা সাফল্য মণ্ডিত কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِيَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ.

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 27 SEP 2024**

## BOOK POST (PRINTED MATTER)

TO,
...........................................................................................................
...........................................................................................................
...........................................................................................................

**NASHOR-O-ISHAAT QADIAN**

অনুবাদক ঃ শ্বাহজাহান আলি মুৱাল্লিম ছিলছিলা